## পাঠ - ৯
# পৰিভ্ৰমী চৰাই

শীত কালৰ এটা দেওবাৰ। ৰিম্‌ঝিমৰ মনত বৰ আনন্দ। কাৰণ তাই মাক-দেউতাকৰ সৈতে দীপৰ বিল চাবলৈ যাব। ৰিম্‌ঝিমহঁত গুৱাহাটীৰ ভৰলুমুখত থাকে। দুপৰীয়া ভাত-পানী খাই ৰিম্‌ঝিমহঁতে সিহঁতৰ মাৰুতি গাড়ীখনত উঠি দীপৰ বিল চাবলৈ গ'ল।



**দীপৰ বিল**

দীপৰ বিলৰ ওচৰতে দেউতাকে গাড়ীখন ৰখালে। ইতিমধ্যে দীপৰ বিল চাবলৈ বুলি বহুতো মানুহ আহিছে। ৰিম্‌ঝিমহঁতে গাড়ীৰ পৰা নামি বিলৰ ফাললৈ আগবাঢ়িল। তেওঁলোকে তাত থকা জলাশয় আৰু গছ-গছনিবোৰত অসংখ্য চৰাই পৰি থকা দেখা পালে। তাইৰ মনত বৰ আনন্দ। চৰাইবোৰৰ কোলাহলে ঠাইখনত এক সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰিছে। চৰাইবোৰ দেখি তাই বৰ আচৰিত হ'ল। তাই দেউতাকক সুধিলে- "দেউতা, এই চৰাইবোৰৰ বেছিভাগেই দেখোন মই আগতে দেখা পোৱা নাছিলোঁ। এই চৰাইবোৰ আমি ঘৰৰ ওচৰে পাজৰে নেদেখোঁ কিয় ?"

দেউতাকে ক'লে- " মাজনী, এই চৰাইবোৰৰ বেছিভাগেই আচলতে আমাৰ দেশৰ চৰাই নহয়। ইহঁতে দূৰ-দূৰণিৰ পৰা ইয়ালৈ উৰি আহিছে। ঠাণ্ডাৰ দিন পাৰ হ'লেই ইহঁতে আকৌ নিজৰ দেশলৈ উৰা মাৰিব।"

ৰিম্‌ঝিমহঁতে তাত বহু সময় কটাই সন্ধিয়া ঘৰলৈ ঘূৰি আহিল।

ৰিম্‌ঝিমহঁতে দীপৰ বিলত দেখা সেই চৰাইবোৰ হ'ল **পৰিভ্ৰমী চৰাই**। একেঠাইতে নাথাকি দেশে-বিদেশে ঘূৰি ফুৰাৰ বাবে ইহঁতক **পৰিভ্ৰমী চৰাই** বোলে। এইবোৰ চাবৰ বাবে দূৰ-দূৰণিৰ পৰা বহুতো মানুহ আহে। পৰিভ্ৰমী চৰাইবোৰ বছৰৰ কোনো কোনো সময়তহে আমাৰ অসমত দেখা যায়। বাকী সময়ত আমাৰ চকুত নপৰে। বেলেগ বেলেগ ঠাই বা অঞ্চলৰ পৰাহে উৰি উৰি আমাৰ অসমলৈ আহে। কিন্তু গোটেই বছৰ ধৰি নাথাকে। কেইমাহমান থকাৰ পাছত আকৌ নিজৰ ঠাইলৈ গুছি যায়।





মৰুভূমি, বৰফে ঢকা শীতল অঞ্চল, গভীৰ অৰণ্য, সাগৰৰ পাৰ, নদীৰ পাৰ আদি প্ৰকৃতিৰ সকলো ঠাইতে এনে চৰাই দেখা পোৱা যায়। অসমলৈ প্ৰতিবছৰে প্ৰায় এশবিধ ভিন্ ভিন্ প্ৰজাতিৰ পৰিভ্ৰমী চৰাই আহে। এনে কিছুমান পৰিভ্ৰমী চৰাই হ'ল- কুলি, বালিমাহী, দেওহাঁহ, ধৃতৰাজ, ষ্টাৰলিং, চাতক আৰু বিভিন্ন বগজাতীয় চৰাই।








অসমৰ বিভিন্ন অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান আদি বনাঞ্চলসমূহতো এই পৰিভ্ৰমী চৰাইবোৰ দেখা যায়। বিদেশীলোককে ধৰি দূৰ-দূৰণিৰ বিভিন্ন ঠাইৰ পৰা বহুতো মানুহ এই চৰাইবোৰ চাবলৈ অসমলৈ আহে। এই লোকসকলক **পৰ্যটক** বুলি কোৱা হয়। আজিকালি বনাঞ্চলসমূহ চাবলৈ অহা এই পৰ্যটকসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে।

এই বনাঞ্চলসমূহ কোন কোন জিলাৰ অন্তৰ্গত তলৰ মানচিত্ৰ ৰ পৰা জানি লওঁ আহা-




➢ মানচিত্ৰখন চাই তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখা-

- দেওহাঁহ দেখা পোৱা এখন বনাঞ্চলৰ নাম
- দীপৰ বিল কোন জিলাৰ অন্তৰ্গত ?
- ডিমা হাছাও জিলাত থকা পক্ষী উদ্যানখনৰ নাম কি ?
- গোলাঘাট জিলাত থকা বিখ্যাত ৰাষ্ট্ৰীয় উদ্যানখনৰ নাম কি ?
- তিনিচুকীয়া আৰু ডিব্ৰুগড় এই দুয়োখন জিলাত থকা ৰাষ্ট্ৰীয় উদ্যানখনৰ নাম কি ?

কোন কোন অঞ্চলৰ পৰা কোন কোন সময়ত পৰিভ্ৰমী চৰাইবোৰ অসমলৈ আহে তাক তলৰ তালিকাৰ পৰা জানি লওঁ আহা-

| পৰিভ্ৰমী চৰাই | কোন কোন অঞ্চলৰ পৰা আহে | কোন কোন সময়ত আহে বা সিহঁতক দেখা যায় | ক'ত ক'ত দেখা যায় |
|---|---|---|---|
| কুলি  | বিভিন্ন বনাঞ্চলৰ পৰা | বসন্ত কালত (সচৰাচৰ মাৰ্চ মাহত) | অসমৰ ভৈয়াম অঞ্চলৰ হাবি-বননিত দেখা যায়। |
| বালিমাহী  | কাশ্মীৰৰ পৰা | হেমন্ত আৰু শীত কালত (চেপ্তেম্বৰৰ পৰা ডিচেম্বৰ মাহলৈ।) | অসমৰ বিভিন্ন পাহাৰ আৰু ভৈয়ামৰ খেতি-পথাৰ, বাগিচা আদিত দেখা যায়। |
| দেওহাঁহ  | বিভিন্ন বনাঞ্চলৰ পৰা আকাশেদি 'কাঁইট, কাঁইট' শব্দ কৰি উৰি আহে | শৰত/হেমন্ত কালৰ পৰা বসন্ত কাললৈ (চেপ্তেম্বৰৰ পৰা ডিচেম্বৰ মাহলৈ।) | অসমৰ কাজিৰঙাৰ বিভিন্ন জলাশয় আৰু লুইতৰ আওহতীয়া অঞ্চলসমূহত দেখা যায়। |
| ধৃতৰাজ  | কাশ্মীৰ আৰু লাডাখৰ পৰা | শৰত/হেমন্তৰ পৰা বসন্ত কালৰ ভিতৰত (চেপ্তেম্বৰৰ পৰা ডিচেম্বৰ মাহলৈ।) | নদীৰ পাৰৰ বালিত আৰু শস্যৰ পথাৰত দেখা যায়। |
| ষ্টাৰলিং  | কাশ্মীৰৰ পৰা | হেমন্ত/শীত কালত (অক্টোবৰৰ পৰা জানুৱাৰী মাহলৈ।) | মুকলি খেতি পথাৰত আহাৰ বিচাৰি ফুৰা দেখা যায়। |
| চাতক  | ইউৰোপৰ পৰা | হেমন্ত / শীত কালত (অক্টোবৰৰ পৰা জানুৱাৰী মাহলৈ।) | টেলিগ্ৰাফৰ তাঁৰত আৰু মুকলি আকাশত জাক পাতি উৰি ফুৰে। |
| বগজাতীয় চৰাই  | ইৰান, ছাইবেৰিয়া, মধ্য এচিয়া, উত্তৰ আফ্ৰিকাৰ পৰা ভাৰতৰ বিভিন্ন ঠাইৰ লগতে অসমলৈও আহে। | চেপ্তেম্বৰ মাহৰ শেষভাগত আৰু অক্টোবৰ মাহৰ প্ৰথম ভাগত আহে আৰু মাৰ্চ/এপ্ৰিলত অসমৰ পৰা গুচি যায়। | অসমৰ বিভিন্ন জলাশয়সমূহত দেখা যায়। |

- তালিকাখনৰ সহায়ত তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা (নিজৰ বহীত)
  - বসন্ত কালত অসমলৈ অহা এবিধ পৰিভ্ৰমী চৰাইৰ নাম লিখা।
  - মুকলি আকাশত জাক পাতি উৰি ফুৰা এবিধ পৰিভ্ৰমী চৰাইৰ নাম লিখা।
  - 'কাঁইট-কাঁইট' শব্দ কৰি আকাশেদি উৰি অহা চৰাইবিধৰ নাম কি?
  - ষ্টাৰলিং চৰাই কোন সময়ত অসমলৈ আহে?
  - ধৃতৰাজ চৰাই সাধাৰণতে ক'ত ক'ত দেখা যায়?
- **পৰিভ্ৰমী চৰাইবিলাক আমাৰ অসমলৈ কিয় আহে জানানে?**



খাদ্যৰ সন্ধানত আৰু অতিপাত শীত আৰু গৰমৰ পৰা ৰক্ষা পাবলৈ এই সুন্দৰ সুন্দৰ পৰিভ্ৰমী চৰাইবিলাক আমাৰ অসমলৈ বহু দূৰৰ পৰা উৰি উৰি আহে। বসন্ত কালত কুউ কুউ বুলি মতা কুলি চৰাইৰ মাত তোমালোকে নিশ্চয় শুনিছা। কুলি চৰায়ে বাহ নাসাজে। ইহঁতে কাউৰীৰ বাহতে কণী পাৰে। কাউৰীয়ে কুলিৰ কণীক উমনি দি পোৱালি জগায়। তাৰ পাছত এদিন উৰিব পৰা হ'লেই বাহৰ পৰা আঁতৰি যায়। এনেকৈয়ে কুলি চৰায়ে খাদ্যৰ সন্ধানৰ লগতে পোৱালি জগাবলৈও অসমলৈ আহে।



## ক্ৰিয়া-কলাপ

অসমত থকা বহুতো চৰাই তোমালোকৰ চিনাকি আৰু আন কিছুমান অচিনাকি। কিছুমান চৰাই তোমালোকে কেতিয়াও দেখাই নাই। তলৰ তালিকাত কিছুমান চৰাইৰ ছবি দিয়া আছে। এতিয়া চিনাকি চৰাইবোৰৰ কাষত '✓' চিন দিয়া।


পাতসিয়া


হাইঠা


বাৰৈটোকা


মাছৰোকা


কপৌ


পাৰ


ৰাজহাঁহ


ঘৰচিৰিকা


ভাটৌ


ফেঁচা


বালিমাহী


মইনা

- ওপৰৰ ছবিসমূহ চাই তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা-
  - চিনাকি চৰাইবোৰৰ নাম।
  - কোনটো চৰায়ে চিকাৰ কৰে?
  - কোনটো চৰায়ে মাছ খায়?
  - কোনটো চৰায়ে বহু দূৰলৈ উৰি যাব পাৰে?
  - কোনকেইটা চৰাই আমাৰ ঘৰত পোহোঁ?
  - আমি প্ৰায়েই ঘৰৰ ওচৰত দেখি থকা দুটা চৰাইৰ নাম।
  - ইয়াৰ মাজত থকা পৰিভ্ৰমী চৰাইটোৰ নাম



- তোমালোকে দেখা আৰু কিছুমান চৰাইৰ নাম লিখা।

প্ৰকৃতিৰ সকলো জীৱ-জন্তু, গছ-লতা আদিয়ে পৰস্পৰে পৰস্পৰক উপকাৰ সাধন কৰে আৰু লগতে পৰস্পৰৰ ওপৰত নিয়ন্ত্ৰণো ৰাখে। চৰায়ো এবিধ প্ৰাণী। গতিকে চৰায়েও অন্য প্ৰাণীৰ উপকাৰ সাধে।

**চৰাইৰ দ্বাৰা কেনেকৈনো আমাৰ উপকাৰ হয় জানি লওঁ আহা-**

- শস্য আৰু অইন উদ্ভিদৰ অনিষ্টকাৰী পোক-পৰুৱা নিধন কৰি উদ্ভিদক নষ্ট হোৱাৰ পৰা ৰক্ষা কৰে।





- এন্দুৰে সঞ্চিত শস্যৰ ক্ষতি কৰে। বহুতো চিকাৰী চৰাই, যেনে- ঈগল, ফেঁচা শেন আদিয়ে এই অনিষ্টকাৰী প্ৰাণীবোৰ চিকাৰ কৰে।



- শগুণ জাতীয় চৰায়ে মৃত জন্তুবোৰ ভক্ষণ কৰি আমাৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰাখে।



- চৰায়ে ফল খায় আৰু বিষ্ঠাৰ জৰিয়তে ফলৰ গুটি বিভিন্ন দূৰত্বলৈ বিস্তাৰিত কৰে। কাউৰীয়ে নিম গছৰ গুটি, শালিকাই আঁহত আৰু বটগছৰ গুটি বিভিন্ন ঠাইলৈ বিস্তাৰিত কৰে। তাদুপৰি চৰায়ে ফুলৰ মৌ খাই উদ্ভিদৰ বংশ-বৃদ্ধিত সহায় কৰে।



- কিছুমান চৰাইৰ মাংস আৰু কণী আমি খাদ্য হিচাপে ব্যৱহাৰ কৰোঁ। যেনে- হাঁহ,পাৰ, কুকুৰা আদি। সেয়েহে বহুতো লোকে ইহঁতৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰে।



- চৰাইৰ সুমধুৰ মাত শুনি আমি ভাল পাওঁ। তদুপৰি ইহঁতৰ ধুনীয়া ৰং, আকাৰ আৰু উৰাৰ কৌশলে আমাক আকৰ্ষিত কৰে আৰু আনন্দ যোগায়।

উপকাৰী প্ৰাণী হিচাপে চৰাইক আমি সংৰক্ষণ আৰু নিৰাপত্তা দিয়া অতি আৱশ্যক। জধে-মধে চৰাইক মৰা অনুচিত। পৰিভ্ৰমী চৰাইবিলাকৰ সুৰক্ষাৰ বাবে আজিকালি চৰকাৰী আৰু বেচৰকাৰী পৰ্যায়ত বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে।

**চৰাইৰ সংৰক্ষণৰ ব্যৱস্থাৰ বিষয়ে জানো আহা-**

- পৰিভ্ৰমী চৰাই অহা কিছুমান ঠাই পক্ষী উদ্যান বুলি ঘোষণা কৰা হৈছে।
- পৰিভ্ৰমী চৰাই চিকাৰ কৰা আইনমতে নিষেধ।
- পৰিভ্ৰমী চৰাই আহি পৰা বিল, পিতনি আদি জলাশয়সমূহ চাফ-চিকুণকৈ ৰখা উচিত। ইয়াত থকা মাছবোৰ পৰিভ্ৰমী চৰাইবোৰে খায়। সেয়েহে এই ঠাইখিনিত মাছ মৰা নিষেধ। তদুপৰি পৰিভ্ৰমী চৰাইৰ বাবে সময়ে সময়ে মাছ-পোনা আদিও বিল, পিতনি আদি জলাশয়ত এৰি দিয়া হয়। জলাশয়ৰ এই নিৰ্দিষ্ট এলেকাসমূহত মানুহৰ বাবে প্ৰৱেশ নিষেধ।



- ঠাইখিনিত বনভোজ খোৱা নিষেধ, যাতে ঠাইখিনি প্ৰদূষিত হৈ চৰাইবোৰৰ কোনো ধৰণৰ বেমাৰ-আজাৰ হ'ব নোৱাৰে।
- এনে ঠাইবোৰত গছ কটা নিষেধ। প্ৰাকৃতিক দুৰ্যোগত গছ-গছনিৰ ক্ষতি হ'লে তাত নতুনকৈ বৃক্ষৰোপণ কৰা হয়।
- তেনে ঠাইত উদ্যোগ স্থাপন বা বান্ধ নিৰ্মাণ কৰা নিষেধ।

মযূৰ হ'ল আমাৰ ৰাষ্ট্ৰীয় চৰাই, এই পক্ষী আমাৰ দেশৰ গৌৰৱ আৰু মহানতাৰ প্ৰতীক।



## অনুশীলনী

১। চমু উত্তৰ দিয়া-

(ক) যিকোনো দুবিধ পৰিভ্ৰমী চৰাইৰ নাম।

(খ) কোনবিধ চৰায়ে বাহ নাসাজে?

(গ) আমাৰ ৰাষ্ট্ৰীয় চৰাইটোৰ নাম কি?

(ঘ) চাইবেৰিয়াৰ পৰা অহা এবিধ পৰিভ্ৰমী চৰাইৰ নাম।

(ঙ) তুমি দেখা চাৰিবিধ চৰাইৰ নাম।

২। হয় নে নহয় লিখা-

(ক) পৰিভ্ৰমী চৰাই চিকাৰ কৰা আইনমতে নিষেধ। হয়

(খ) বহুতো লোকে চৰাইৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰে। হয়

(গ) পৰিভ্ৰমী চৰাইবোৰ কেৱল অসমলৈহে আহে। নহয়

(ঘ) পৰিভ্ৰমী চৰাই অহা ঠাইখিনিত বনভোজ খোৱা উচিত। নহয়

(ঙ) পৰিভ্ৰমী চৰাই আহি পৰা কিছুমান ঠাইক পক্ষী উদ্যান বুলি জনা যায়। হয়

৩। খালী ঠাই পূৰ কৰা-

(ক) পক্ষী উদ্যানত বিভিন্ন ধৰণৰ চৰাই দেখিবলৈ পোৱা যায়।

(খ) জাটিংগা এখন পক্ষী উদ্যান।

(গ) দূৰদূৰণিৰ পৰা পৰিভ্ৰমী চৰাই চাবলৈ অহা লোকক পৰ্যটক বোলে।

(ঘ) কিছুমান চৰাইৰ মাংস আৰু কণীক ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

৪। শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা-

(ক) দীপৰ বিল কামৰূপ (মহানগৰ)/শিৱসাগৰ/শোণিতপুৰ জিলাৰ অন্তৰ্গত।

(খ) পৰিভ্ৰমী চৰাই আহি পৰা ঠাইখিনিক অভয়াৰণ্য/চিৰিয়াখানা/পক্ষী উদ্যান বুলি কোৱা হয়।

(গ) ষ্টাৰলিং চৰাই বসন্ত/বৰ্ষা/শীত কালত অসমলৈ আহে।

(ঘ) প্ৰতি বছৰে প্ৰায় ১০/১০০/১০০০ বিধ ভিন্ ভিন্ প্ৰজাতিৰ পৰিভ্ৰমী চৰাই অসমলৈ আহে।

(ঙ) ধৃতৰাজ/শালিকা/শগুণ এবিধ পৰিভ্ৰমী চৰাই।

৫। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা-

| 'ক' | 'খ' |
|---|---|
| পৰ্যটক | এখন পক্ষী উদ্যান |
| বালিমাহী | এখন ৰাষ্ট্ৰীয় উদ্যান |
| দীপৰ বিল | এবিধ পৰিভ্ৰমী চৰাই |
| কাজিৰঙা | কাউৰীৰ বাহত কণী পাৰে |
| কুলি | বনাঞ্চলসমূহ চাবলৈ অহা দেশী-বিদেশী লোক। |

৬। পৰিভ্ৰমী চৰাই কাক বোলে?

৭। পৰিভ্ৰমী চৰাইবোৰ কিয় অসমলৈ আহে?

৮। চৰাইৰ পৰা পোৱা দুটা উপকাৰ উল্লেখ কৰা।

৯। তলৰ চৰাইটোৰ ছবিখনত ৰং কৰা-

